DAILY ASSAM

# মিলন

নলিনীবালা দেৱী

**পাঠটো নিৰ্বাচন কৰাৰ উদ্দেশ্য ঃ**

নলিনীবালা দেৱী অসমীয়া কাব্যজগতৰ এক সু-পৰিচিত নাম। নলিনীবালা দেৱীৰ কবিতা স্বকীয় বৈশিষ্ট্যৰে সমৃদ্ধ। কবিতাবোৰৰ মাজেৰে তেওঁৰ প্ৰজ্ঞা আৰু প্ৰতিভাৰ অপূৰ্ব মিলন ঘটিছে। ভাৰতীয় ধৰ্ম, সংস্কৃতি আৰু দৰ্শনৰ প্ৰতি তেওঁৰ আছিল অপৰিসীম শ্ৰদ্ধা আৰু আনুগত্য। নলিনীবালা দেৱীয়ে তেওঁৰ ব্যক্তিগত জীৱনৰ দুখ আৰু বেদনাক ভাৰতীয় ধৰ্ম আৰু দাৰ্শনিক চিন্তাৰ মাজেৰে বিচাৰ কৰি শোক-সন্তপ্ত হৃদয়ত যি শান্তি আৰু শক্তি লাভ কৰিছিল, সেয়া কবিতাৰ মাজেৰে ব্যক্ত কৰিছে। বেদনাৰে সিক্ত আৰু এক সমাহিত ভাবেৰে পৰিপূৰ্ণ নলিনীবালা দেৱীৰ কবিতাবোৰ অসমীয়া সাহিত্যৰ অনুপম সম্পদ। নলিনীবালা দেৱীৰ কাব্য-ভাৱনাত আধ্যাত্মিক চেতনা কেনেদৰে প্ৰকাশিত হৈছে, সেই সম্পৰ্কে আভাস দিয়াৰ উদ্দেশ্যে কবিতাটি নিৰ্বাচন কৰা হৈছে।

**কবি পৰিচিতি ঃ**

অতীন্দ্ৰিয়বাদী কবি বুলি পৰিচিত নলিনীবালা দেৱীৰ জন্ম হয় ১৮৯৮ চনৰ ২৩ মাৰ্চত গুৱাহাটীত। তেওঁ আছিল কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈৰ জ্যেষ্ঠা কন্যা। মাথোঁ ১৯ বছৰ বয়সতে স্বামীৰ বিয়োগ আৰু তাৰ পিছত দুটি সন্তানৰ মৃত্যু হোৱাত গভীৰ শোকত ম্ৰিয়মাণ কবিয়ে সেই সকলোবোৰ ভগৱানৰ আশিস নিৰ্মালি বুলি স্বীকাৰ কৰি সান্ত্বনা লভিছিল। নলিনীবালা দেৱীৰ

কবিতাবোৰত মূলতঃ অতিন্দ্ৰীয়বাদী বা ৰহস্যবাদী ভাব আৰু ভগৱৎ-প্ৰীতিৰ ধাৰণাই প্ৰকাশ পাইছে। 'সন্ধিয়াৰ সুৰ', 'সপোনৰ সুৰ', 'পৰশমণি', 'যুগ দেৱতা', 'জাগৃতি', 'অলকানন্দা', 'অন্তিম সুৰ' তেওঁৰ উল্লেখযোগ্য কাব্যগ্ৰন্থ। 'স্মৃতিতীৰ্থ' আৰু 'বিশ্বদীপা' তেওঁৰ উচ্চমানৰ জীৱনীমূলক গ্ৰন্থ। 'এৰি অহা দিনবোৰ' তেওঁৰ আত্ম-জীৱনীমূলক গ্ৰন্থ। কবিৰ 'সন্ধিয়াৰ সুৰ', 'সপোনৰ সুৰ', 'পৰশমণি', 'অলকানন্দা' আৰু 'অন্তিম সুৰ' কাব্যগ্ৰন্থৰ মাজত আধ্যাত্মিক ভাৱৰ ব্যঞ্জনা প্ৰতিধ্বনিত হৈছে। 'যুগ দেৱতা' আৰু 'জাগৃতি' কাব্য-গ্ৰন্থৰ ভালেমান কবিতাত স্বদেশপ্ৰেমৰ সুৰ প্ৰৱাহিত হৈছে।

১৯৫৪ চনত যোৰহাটত বহা অসম সাহিত্য সভাৰ ত্ৰয়োবিংশ অধিবেশনৰ তেওঁ সভাপতি আছিল। ১৯৫৮ চনত ভাৰত চৰকাৰে তেওঁক 'পদ্মশ্ৰী' উপাধি প্ৰদান কৰে। ১৯৬৮ চনত তেওঁ 'অলকানন্দা' কাব্যগ্ৰন্থৰ বাবে সাহিত্য অকাদেমি বঁটা লাভ কৰে। ১৯৭৭ চনৰ ২৪ ডিচেম্বৰ তাৰিখে তেওঁ ইহলীলা সম্বৰণ কৰে।

মিলন কবিতাটি কবিৰ 'সন্ধিয়াৰ সুৰ' কাব্যগ্ৰন্থখনৰ পৰা তুলি দিয়া হৈছে।

**মূল পাঠ ঃ**

কোনে কয় নেদেখি তোমাক
মৰতৰ মানৱ লোকত?
তুমি চিৰ গোপন দেশৰ
আছা মোৰ নিজান কোণত।

সপোন পাৰৰ তুমি
প্ৰভু মোৰ আৰাধ্য পৰম
মানসৰ তীৰে তীৰে
দিয়া আহি নিতে দৰশন।

নিশা আহে জ্বালি লৈ
জোনাকীৰ উজল দীপালি।

মিলন

আকাশৰ তৰাৰ শাৰীয়ে
গায় নিতে মঙ্গল উৰুলি।

গধূলিৰ ম্লান এন্ধাৰত
ধিয়ানৰ সপোন পাৰত
তোমাৰ লগত মোৰ
নিতে দেখা আকুল সুৰত।।

যেতিয়া দোভাগ নিশা
সাৰহীন নিসুতি জগত
টোপনিত লাল কাল
অচেতন সপোন মোহত।

নিৰল পাটিত দেহ
ভাগৰুৱা তন্দ্ৰাৰ কোলাত
নিতৌ তোমাৰে দেখা
মানসৰ কল্প কাননত।

ঊষা আহে সোণালী সাজেৰে
গাঁথি লৈ নিয়ৰৰ মালা
পখীটিও নীৰব তেতিয়া
প্ৰকৃতিও তেনেই নিৰলা।

পুৱতিৰ শুভ লগনত
অৰুণৰ ৰঙা পোহৰত
তোমাৰ লগত মোৰ
অনন্ত মিলন
নিতে দেখা শেৱালি বনত।।

**কঠিন শব্দৰ অৰ্থ ঃ**

| | | |
|---|---|---|
| আৰাধ্য | — | পূজনীয়, উপাস্য। |
| দৰশন | — | দৰ্শন, সাক্ষাৎ। |
| নিসুতি | — | নিশ্চুপ, নিতাল। |
| তন্দ্ৰা | — | টোপনি, ঘুমটি। |
| ঊষা | — | ধলপুৱা,দোকমোকালি। |
| অৰুণ | — | বেলি, সূৰ্য। |

**আৰ্হি প্ৰশ্ন ঃ**

**(ক) অতি চমু প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক - ১)**

১। নলিনীবালা দেৱীক কি কবিৰূপে জনা যায়?

২। নলিনীবালা দেৱীৰ আত্মজীৱনীখনিৰ নাম কি?

৩। 'জাগৃতি' কাব্য গ্ৰন্থখনৰ মাজেৰে কবিৰ কি মনোভাব প্ৰকাশ পাইছে?

৪। 'মিলন' কবিতাটিত কবিয়ে 'তোমাৰ' বুলি কাক বুজাইছে?

৫। নলিনীবালা দেৱীয়ে কোনখন কাব্যগ্ৰন্থৰ বাবে সাহিত্য অকাদেমি বঁটা লাভ কৰিছিল?

**(খ) চমু প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক - ২ অথবা ৩)**

১। নলিনীবালা দেৱীয়ে ৰচনা কৰা দুখন জীৱনীৰ নাম লিখা।

২। কবিৰ পৰম আৰাধ্যজনে আহি নিতে তেওঁক কেনেকৈ দৰশন দিয়ে?

৩। কবিয়ে 'আছা মোৰ নিজান কোণত' বুলি কাৰ কথা বুজাইছে?

৪। কোনে নিয়ৰৰ মালা গাঁথি ৰাতিপুৱা কবিক দেখা দিয়েহি?

৫। ভাগৰুৱা হৈ টোপনিৰ কোলাত থাকিলে কবিয়ে কাক দেখা পায়?

**(গ) দীঘল প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক - ৪ অথবা ৫)**

১। নলিনীবালা দেৱীৰ কবিতাসমূহৰ মাজেৰে মূলতঃ কি ভাবধাৰা প্ৰকাশ পাইছে, তোমাৰ পাঠটিৰ আধাৰত আলোচনা কৰা।

২। 'মিলন' কবিতাটিত কবিয়ে কাৰ লগত কাৰ মিলন হোৱাৰ কথা বুজাইছে আলোচনা কৰা।

৩। কবিয়ে তেওঁৰ পৰম আৰাধ্যজনক ক'ত কেনেকৈ নিতে দেখা পায় বুলি কৈছে, চমুকৈ লিখা।

৪। কবিয়ে 'তোমাৰ লগত মোৰ অনন্ত মিলন' বুলি কি বুজাইছে ব্যাখ্যা কৰা।

৫। 'মিলন' কবিতাটিৰ মাজেৰে কবিৰ আধ্যাত্মিক অনুভূতি কেনেদৰে প্ৰকাশ পাইছে, চমুকৈ আলোচনা কৰা।

**পাঠবোধ ঃ**

কবিতাটিত কবিৰ আধ্যাত্মিক চেতনাৰ প্ৰতিধ্বনি অনুভূত হৈছে। কবিয়ে পৰম আৰাধ্যজনৰ অস্তিত্ব পৃথিৱীৰ সকলো বিষয়ৰ মাজতে উপলব্ধি কৰে। কবিয়ে সপোনে-দিঠকে পৰমজনৰ অস্তিত্বক নিজৰ হৃদয়ৰ মাজতে অনুভৱ কৰে। নিশাৰ জোনাকী পোহৰ, গধূলিৰ তৰাভৰা আকাশৰ মোহনীয় সৌন্দর্য-সুষমাই কবিৰ ভগৱৎ-প্ৰীতিৰ ধাৰণাক গভীৰ কৰি তোলে। ৰাতিপুৱা সূৰ্য উদয় হোৱাৰ পিছৰে পৰা নিশা গভীৰ নিদ্ৰাত পৰালৈকে প্ৰতিটো ক্ষণতে কবিয়ে পৰমজনৰ অস্তিত্ব ভিন্ন ভিন্ন ধৰণে অনুভৱ কৰে, আৰু কবিয়ে এই অনুভৱক পৰমজনৰ সতে অন্তহীন মিলন বুলি অভিহিত কৰে।

**ওপৰঞ্চি তথ্য ঃ**

অসমীয়া ৰহস্যবাদী কাব্যক্ষেত্ৰখনৰ এটি উল্লেখযোগ্য নাম হৈছে নলিনীবালা দেৱী। শান্ত-সমাহিত আৰু কৰুণ আকৃতিৰে ভৰা কবিতাবোৰত কবিৰ আকুল হৃদয়ৰ বিননি ধ্বনিত হৈছে। অতীন্দ্ৰিয়বাদী কবিতাবোৰৰ মাজত নলিনীবালা দেৱীৰ হৃদয়ৰ আকুলতাৰ লগতে গভীৰ চিন্তাৰো সমাৱেশ ঘটিছে। বেদান্ত দৰ্শনৰ প্ৰতি তেওঁৰ আছিল একান্ত অনুৰাগ। সেইবাবে কবিতাবোৰৰ মাজত এই দৰ্শনৰ প্ৰকাশ ঘটিছে।

**শিক্ষকৰ প্ৰতি ঃ**

কবিতাটি বুজোৱাৰ আগতে নলিনীবালা দেৱীৰ জীৱন সম্পৰ্কে কিছু কথা ছাত্ৰ-ছাত্ৰীক ক'ব পাৰে। ৰহস্যবাদ, ভগৱৎ-প্ৰীতিৰ কথাও সহজ-সৰলভাৱে বুজাই দিলে ছাত্ৰ-ছাত্ৰীসকল বহুখিনি উপকৃত হ'ব।

●●●